**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দেশত একে সময়তে লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা সন্দৰ্ভত সম্প্ৰতি সংসদৰ যুটীয়া বৈঠকত আলোচনা চলি আছে।

২। কেন্দ্ৰীয় চৰকাৰে কপাহৰ উৎপাদনৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে শীঘ্ৰেই উপায় উদ্ভাৱন কৰিব।

৩। চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক কাইলৈ আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

৪। ভাৰতত UPI ৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে আন যিকোনো দেশৰ তুলনাত ধনৰ লেনদেন প্ৰক্ৰিয়া খৰতকীয়া হৈছে বুলি IMF-এ মত প্ৰকাশ কৰিছে।

আৰু

৫। এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফীৰ বাবে হোৱা টেষ্ট ক্ৰিকেট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন খেলত আয়োজক দেশ ইংলেণ্ডে চাৰিটা উইকেটৰ বিনিময়ত প্ৰথম ইনিংছত কালি সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰিব।

0000000

সংসদ ভৱনত এখন দেশ এটা নিৰ্বাচন সন্দৰ্ভত যুটীয়া সংসদীয় সমিতিৰ বৈঠক অনুষ্ঠিত হৈছে। ৩৯ জনীয়া সদস্যৰে গঠিত এই সমিতিখনত লোকসভাৰ ২৭ গৰাকী আৰু ১২ গৰাকী সদস্য আছে। সংবিধানৰ ১২৯ সংখ্যক সংশোধনী আইন২০২৪ আৰু স্বায়ত্ব শাসিত সংশোধনী আইন ২০২৪ ৰ ব্যপক পৰীক্ষণৰ বাবে এই বৈঠক অনুষ্ঠিত হয়। দেশত একে সময়তে লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সংসদৰ এই যুটীয়া বৈঠকে আলোচনা অনুষ্ঠিত কৰি আহিছে। বিজেপিৰ সাংসদ পি পি চৌধাৰীৰ নেতৃত্বত গঠিত পেনেলত আইন বিশেষজ্ঞৰ সহায়ত পৰামৰ্শ গ্ৰহণ কৰা হৈছে। এই বৈঠকতে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু ন্যায়াধীশ জগদীশ সিং খেহাৰে দেশত একেসময়তে লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা বিষয় সন্দৰ্ভত সমিতিৰ আগত নিজৰ বক্তৃতা ৰাখিব। বিজেপিৰ সাংসদ অনুৰাগ ঠাকুৰ, কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভদ্ৰা, সমাজবাদী দলৰ ধৰ্মেন্দ্ৰ যাদৱৰ লগতে অন্যান্য সদস্যসকলেও বৈঠকত অংশগ্ৰহণ কৰিব। একে সময়তে দেশত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিব বিচৰা ধাৰণাটো দেশত নতুন নহয়। সংবিধান গৃহীত হোৱাৰে পৰা লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন ১৯৫১ চনৰ পৰা ১৯৬৭ চনলৈকে একে সময়তে অনুষ্ঠিত হৈ আহিছিল। কিন্তু ১৯৬৮ আৰু ১৯৬৯ চনত কেইখনমান ৰাজ্যৰ বিধানসভাৰ কাৰ্য্যকাল আগতীয়াকৈ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী পৰাম্পৰাৰ এই ধাৰা বৰ্হত হয়।

0000000

আজি বিশ্ব জনসংখ্যা দিৱস। সমগ্ৰ বিশ্বতে জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে উদ্ভৱ হোৱা প্ৰত্যাহ্বান আৰু সুযোগ-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। এই দিৱস হ'ল – জনসংখ্যাৰ সৈতে সম্পৰ্কিত উদ্বেগৰ ফলত উদ্ভৱ হোৱা সমস্যা সমাধানৰ বিষয়ে সজাগতা সৃষ্টি আৰু বহনক্ষম ভৱিষ্যতৰ হকে কাম কৰাৰ পদক্ষেপৰ অংশ বিশেষ। পৰিৱেশ তথা উন্নয়নকে ধৰি জনসংখ্যাৰ সৈতে জড়িত বিষয়সমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯০ চনৰ ডিচেম্বৰত গ্ৰহণ কৰা এটা প্ৰস্তাৱৰ জৰিয়তে বিশ্ব জনসংখ্যা দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৯০ চনৰ ১১ জুলাইত বিশ্বৰ ৯০ খনতকৈও অধিক দেশত প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছিল। এইবেলি এই দিৱসৰ মূল বিষয় হ'ল – মাতৃ আৰু শিশু উভয়ৰে সুস্বাস্থ্য আৰু কল্যাণৰ হকে গৰ্ভধাৰণৰ মাজৰ সময়ৰ উপযুক্ত ব্যৱধান।

বিশ্ব জনসংখ্যা দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কয়, যে পৰিয়াল-পৰিকল্পনা সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ মুখামুখি

হোৱাৰ দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতত এই দিৱস পালন কৰা হৈ আহিছে। মাতৃ আৰু শিশুৰ সুস্বাস্থ্যৰ বাবে সন্তানৰ আগমনক লৈ উপযুক্ত পৰিকল্পনা গ্ৰহণ কৰাৰ বিষয়ত তেওঁ গুৰুত্ব আৰোপ কৰে।

ooooooooo

চৰকাৰে কপাহৰ উৎপাদনৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে শীঘ্ৰেই উপায় উদ্ভাৱন কৰিব। কেন্দ্ৰীয় কৃষি আৰু কৃষক দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি এই কথা প্ৰকাশ কৰে। কইম্বাট'ৰত অৱস্থিত ভাৰতীয় কৃষি গৱেষণা পৰিষদ আইকাৰৰ গৱেষণা কেন্দ্ৰ পৰিদৰ্শন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয়, যে কপাহৰ গছত দেখা বিভিন্ন ৰোগ চিনাক্ত কৰি ইয়াক নিৰাময় কৰাকে ধৰি কপাহৰ উৎপাদনকাৰী তথা সামগ্ৰিকভাৱে কৃষি উদ্যোগ সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ বাবে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কৃষিৰ সৈতে জড়িত প্ৰতিটো বিষয়ত চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে লগতে, এনেধৰণৰ সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰে প্ৰয়োজনীয় গৱেষণাৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও জানিবলৈ দিয়ে।

ooooooooo

চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক কাইলৈ আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰ মাধ্যমেৰে আয়োজন কৰা এটা অনুষ্ঠানত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিযুক্তি পত্ৰসমূহ বিতৰণ কৰিব। এই অনুষ্ঠানতে তেওঁ নৱনিযুক্ত প্ৰাৰ্থীসকলক উদ্দেশ্য কৰি ভাষণ দিব। উল্লেখযোগ্য যে নতুনকৈ নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক নিযুক্তিপত্ৰ বিতৰণৰ লক্ষ্যৰে কাইলৈ দেশৰ ৪৭ টা স্থানত যোড়শ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহত নতুনকৈ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। দেশৰ ভিন ভিন স্থানৰ পৰা নিযুক্তি লাভ কৰা এই প্ৰাৰ্থীসকলে ৰে'ল, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শ্ৰম আৰু নিযুক্তি, ডাক বিভাগ আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ত যোগদান কৰিব। চৰকাৰী তথ্য অনুসৰি বৰ্তমানলৈ ৰোজগাৰ মেলাৰ জৰিয়তে সমগ্ৰ দেশতে ১০ লাখতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি দিয়া হৈছে। ৰোজগাৰ মেলাৰ এই ব্যৱস্থা কৰ্ম সংস্থাপন সৃষ্টিক অগ্ৰাধিকাৰ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি ৰক্ষাৰ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

oooooooo

ভাৰতত Unified Payments Interface - চমুকৈ UPI ৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে আন যিকোনো দেশৰ তুলনাত ধনৰ লেনদেন প্ৰক্ৰিয়া খৰতকীয়া হৈছে বুলি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি IMF-এ মত প্ৰকাশ কৰিছে। এই কথা প্ৰকাশ কৰি সংস্থাটোৱে কয়, যে UPI ব্যৱস্থাই ভাৰতত ডিজিটেল লেনদেনৰ ক্ষেত্ৰখনত ব্যাপক সংস্কাৰ সাধন কৰিছে। ২০১৬ চনত এই ব্যৱস্থা প্ৰথমে প্ৰৱৰ্তন কৰাৰ পাছৰেপৰা তাৎক্ষণিকভাৱে ধনৰ লেনদেন কৰাৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি সাধন হোৱা বুলি প্ৰকাশ কৰি আই এম এফৰ তৰফৰ পৰা কোৱা হৈছে যে এই ব্যৱস্থাই ইউ পি আই ব্যৱহাৰকাৰীসকলৰ সামৰ্থ তথা অভিজ্ঞতাও বৃদ্ধি কৰিছে।

ooooooooo

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে আজি আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ দক্ষিণ-পূব দিশে প্ৰায় ৫২ সামুদ্ৰিক মাইল দূৰত্বত আৱদ্ধ হৈ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দুগৰাকী নাগৰিকক উদ্ধাৰ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আৱদ্ধ হৈ পৰা লোক দুগৰাকীয়ে প্ৰেৰণ কৰা বিপদ সংকেত লাভ কৰাৰ পাছত পৰ্ট ব্লেয়াৰৰ সামুদ্ৰিক উদ্ধাৰ সমন্বয় কেন্দ্ৰই এলেকাটোত বিচৰণ কৰি থকা জাহাজসমূহক এই সন্দৰ্ভত সতৰ্ক কৰি দিয়াকে ধৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। একেদৰে ভাৰতীয় উপকূল ৰক্ষী বাহিনীয়েও আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'ছি এঞ্জেল' নামৰ জাহাজখনক উদ্ধাৰ কৰাৰ বাবে অভিযান চলায়। বাহিনীটোৰ ৰাজবীৰ নামৰ জাহাজখনেৰে উদ্ধাৰ অভিযান চলোৱা উপকুলৰক্ষীসকল 'ছি এঞ্জেল'ৰ সৈতে যোগাযোগ স্থাপন কৰিবলৈ সমৰ্থ হয় আৰু প্ৰচণ্ড বতাহত তথা কাৰিকৰী বিজুতিৰ ফলত আৱদ্ধ হৈ পৰা লোক দুজনক সুস্থ অৱস্থাত উদ্ধাৰ কৰে।

ooooooooo

ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লা আৰু আন তিনিগৰাকী সদস্যক কঢ়িয়াই আনিবলগীয়া Axiom-4 অভিযান অহা ১৪ জুলাইত আৰম্ভ হ'ব বুলি নাছাই প্ৰকাশ কৰিছে। প্ৰতিষ্ঠানটোৰ এগৰাকী শীৰ্ষস্থানীয় বিষয়া ষ্টিভ ষ্টিচে আজি এখন সংবাদমেলত প্ৰকাশ কৰা মতে তেওঁলোকক কঢ়িয়াই আনিবলগীয়া যানখন ১৪ জুলাইত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ সৈতে বিচ্ছিন্ন হোৱাৰ কেইঘণ্টামান পাছত যানখনে প্ৰশান্ত মহাসাগৰত অৱতৰণ কৰাৰ পৰিকল্পনা কৰা হৈছে।

000000000

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশত অজ্ঞাত বন্দুকধাৰীয়ে কালি সন্ধিয়া কেইবাখনো যাত্ৰীবাহী বাছৰ পৰা কেইবাজনো যাত্ৰীক নমাই লৈ তাৰে নগৰাকী যাত্ৰীক গুলীয়াই নিহত কৰে। গুলীবিদ্ধ মৃতদেহ সমূহ গোটেই নিশা পৰ্বতত পৰি ৰয়। বৰ্তমানলৈ কোনো সংগঠনে এই নৃশংস ঘটনাৰ দায়িত্ব স্বীকাৰ কৰা নাই। অৱশ্যে পূৰ্বে সংঘটিত এনে ধৰণৰ বহু ঘটনাৰ সৈতে বেলুচ লিবাৰেশ্যন আৰ্মি জড়িত থকাৰ অভিযোগ আছে। কালি গুলীবিদ্ধ হৈ নিহত হোৱা যাত্ৰীসকল পূব পঞ্জাৱ প্ৰদেশৰ বুলি এটা তথ্যৰ পৰা জানিব পৰা গৈছে। উল্লেখযোগ্য যে আফগানিস্তান আৰু ইৰাণৰ খনিজ সমৃদ্ধ অঞ্চলত দীৰ্ঘদিনে বিদ্ৰোহী কাম-কাজ চলাই থকা বেলুচ লিবাৰেশ্যন আৰ্মী হৈছে অতি শক্তিশালী বিদ্ৰোহী গোট। অঞ্চলটোৰ সম্পদসমূহৰ জৰিয়তে আহৰণ কৰা ধনেৰে পাকিস্তান কৰ্তৃপক্ষই পঞ্জাৱ প্ৰদেশত খৰচ কৰি আহিছে বুলি জনগোষ্ঠীয় বেলুচ বিদ্ৰোহীসকলে অভিযোগ উত্থাপন কৰি আহিছে।

0000000

এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফীৰ বাবে হোৱা টেষ্ট ক্ৰিকেট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন খেলত আয়োজক দেশ ইংলেণ্ডে চাৰিটা উইকেটৰ বিনিময়ত প্ৰথম ইনিংছত কালি সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰিব। ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত খেল আৰম্ভ হ'ব।

টছত জিলি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত ভাৰতৰ নীতিশ কুমাৰ ৰেড্ডীয়ে প্ৰথমতে দুটা উইকেট দখল কৰি ঘৰুৱা দলটোক শ'লথেকত পেলায়। নীতিশ কুমাৰে একেটা অভাৰতে অ'পেনাৰ বেন ডাকেট আৰু জেক ক্ৰ'লিক আউট কৰে। ইয়াৰ পাছত জ' ৰুট আৰু অ'লি প'পে ১০৯ ৰান সংগ্ৰহ কৰি দলক শক্তিশালী স্থিতিত উপনীত কৰায়। পাছত ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজা আৰু যশপ্ৰীত বুমৰাই এটাকৈ উইকেট দখল কৰে।

পাঁচখনীয়া শৃংখলাটো সম্প্ৰতি ১-১ ফলাফলত ড্ৰ হৈ আছে। ইংলেণ্ডে হেডিংলিত অনুষ্ঠিত প্ৰথমখন খেলত পাঁচ উইকেটত জয়লাভ কৰিছে আৰু ভাৰতে এজবেষ্টনত অনুষ্ঠিত দ্বিতীয়খন খেলত ৩৩৬ ৰান বিজয় সাব্যস্ত কৰে। পিঠি আৰু কিলাকুটিৰ আঘাটৰ বাবে চাৰি বছৰৰ বিৰতিৰ অন্তত ইংলেণ্ডৰ বেগীবলাৰ জ'ফ্ৰা আৰ্চাৰে এই খেলখনৰ জৰিয়তে টেষ্ট ক্ৰিকেটলৈ প্ৰত্যাৱৰ্তন কৰিছে। ভাৰতৰ ১১ জনীয়া দলত প্ৰসিদ্ধ কৃষ্ণৰ ঠাইত যশপ্ৰীত বুমৰাক অন্তৰ্ভুক্ত কৰা হৈছে।

0000000

সমাপ্ত